অসম

BTC-ত ভূমিহীন লোকৰ বাবে মাটিৰ পট্টাৰ প্ৰিমিয়াম ১০১ টকালৈ হ্ৰাস: হাগ্ৰামা

BTC-য়ে ভূমিহীন লোকৰ বাবে মাটিৰ পট্টা লাভৰ প্ৰিমিয়াম ১০১ টকালৈ হ্ৰাস কৰিছে। এতিয়ালৈকে ৮,০০০ৰো অধিক লোকক পট্টা দিয়া হৈছে।

প্ৰকাশ: ৬ নৱেম্বৰ ২০২৬, আবেলি ৫:৪৮



(NewzNow)

কোকৰাঝাৰ, ৬ নৱেম্বৰঃ ভূমি পট্টা আবণ্টন আৰু নামজাৰিৰ ক্ষেত্ৰত প্ৰিমিয়ামৰ হাৰ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলে (BTC)। শুকুৰবাৰে কোকৰাঝাৰত মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্যবাহী পৰিষদৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়।

বৈঠকৰ পাছত হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিয়ে যে যিসকল লোকৰ নিজৰ নামত মাটিৰ পট্টা নাই, তেওঁলোকক পট্টা প্ৰদানৰ কাম চলি আছে। ভূমিহীন লোকসকলৰ বাবে পূৰ্বে ১,০০০ বা ২৫,০০০ টকা প্ৰিমিয়াম নিৰ্ধাৰণক লৈ সৃষ্টি হোৱা সমস্যাৰ সংশোধন কৰা হৈছে। এতিয়াৰে পৰা ভূমিহীন লোকসকলে মাটিৰ পট্টা লাভৰ বাবে মাত্ৰ ১০১ টকা প্ৰিমিয়াম দিব লাগিব।

তেওঁৰ মতে, এতিয়ালৈকে ৮,০০০ৰো অধিক ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰা হৈছে। আনহাতে, প্ৰায় ৪,০০০ লোকৰ পট্টা প্ৰদানৰ প্ৰক্ৰিয়া এতিয়াও চলি আছে। পট্টা নথকা লোকসকলক অগ্ৰাধিকাৰ ভিত্তিত মাটি

© 2026 NewzNow

আবণ্টন দিয়াৰ কথাও তেওঁ উল্লেখ কৰে।

ইফালে, ইতিমধ্যে মাটিৰ পট্টা থকা লোকে নতুনকৈ মাটি ক্রয় কৰাৰ ক্ষেত্রতো প্রিমিয়ামৰ হাৰ হ্রাস কৰাৰ সিদ্ধান্ত লৈছে BTC-য়ে। এই বিষয়টো পর্যালোচনা কৰিবলৈ এখন কমিটী গঠনৰ সিদ্ধান্ত লোৱা হৈছে।

হাগ্রামা মহিলাৰীয়ে কয় যে সাধাৰণ শ্রেণীৰ লোকৰ বাবে মাটি ক্রয়-বিক্রয়ৰ অনুমতি আৰু প্রিমিয়ামৰ হাৰ অঞ্চলটোৰ জ'নভিত্তিক মূল্যৰ ওপৰত নির্ভৰ কৰিব। বর্তমান সাধাৰণ শ্রেণীৰ বাবে ২৫,০০০ টকা প্রিমিয়াম নির্ধাৰণ কৰা আছে। এই হাৰ হ্রাস কৰাৰ বাবে কমিটীয়ে পর্যালোচনা কৰিব।

তেওঁ লগতে কয় যে সাধাৰণ শ্রেণীৰ বাবে প্রিমিয়াম ২৫,০০০ টকা হ'লে অনুসূচিত জনজাতিৰ লোকৰ বাবে ইয়াৰ ৫০ শতাংশ, অর্থাৎ প্রায় ১২,৫০০ টকা হ'ব। এই সন্দর্ভত পৰৱর্তী ১৫ৰ পৰা ২০ দিনৰ ভিতৰত সিদ্ধান্ত চূড়ান্ত কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ জানিবলৈ দিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/959/btc-land-patta-premium-reduced-to-101-rupees-for-landless